# প্ৰত্যাহ্বান

**পাঠ: ১০**

## ‘ ক ’ পাঠভিত্তিক ক্ৰিয়া

**প্ৰশ্ন ১। পাঠটোৰ তিনিওটা খণ্ডৰ পৰা লাোৱা তলৰ প্ৰশ্নবাোৰৰ উত্তৰ দিয়া ।**

**( ক ) সৰু কালত প্ৰিন্সি গগৈয়ে ওচৰ – চুবুৰীয়া আৰু সমাজৰ পৰা কেনে ব্যৱহাৰ পাইছিল ?**

উত্তৰঃ সৰু কালত প্ৰিন্সি গগৈয়ে ওচৰ – চুবুৰীয়া আৰু সমাজৰ কিছুমানৰ পৰা সহমৰ্মিতা পাইছিল আৰু কিছুমানে তেওঁক অমংগলীয়া বুলি গণ্য কৰিছিল ।

**( খ ) বিদ্যালয়ত নামভৰ্তি কৰোঁতে প্ৰিন্সি গগৈ কি সমস্যাৰ সন্মুখীন হৈছিল ?**

উত্তৰঃ বিদ্যালয়ত নামভৰ্তি কৰিবলৈ যাওঁতে প্ৰিন্সি গগৈক এখন বিদ্যালয়ে নামভৰ্তি কৰিবলৈ দিয়া নাছিল । পিছত সাোণাৰিৰ ৰজাটপ প্ৰাথমিক বিদ্যালয়ে তেওঁক নামভৰ্তি কৰাৰ সুবিধা দিছিল ।

**( গ ) পঢ়া – শুনাৰ লগতে প্ৰিন্সি গগৈৰ কি কি বিষয়ত ৰাপ আছে ?**

উত্তৰঃ পঢ়া – শুনাৰ লগতে প্ৰিন্সি গগৈৰ ছবি আঁকা আৰু গান গাোৱাত ৰাপ আছে ।

**( ঘ ) দুৰ্ঘটনাত পতিত হাোৱাৰ পাছত জুলী বৰুৱাৰ মনত কি ভাব জাগি উঠিছিল ?**

উত্তৰঃ দুৰ্ঘটনাত পতিত হাোৱাৰ পাছত জুলী বৰুৱাৰ মনত হতাশ ভাব জাগি উঠিছিল । সীমাহীন বিষাদ – বেদনাই তেওঁক আৱৰি ধৰিছিল ।

**( ঙ ) সংগ্ৰামজ্যোতিয়ে ক’ত চিত্ৰকলাৰ প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল ?**

উত্তৰঃ সংগ্ৰামজ্যোতিয়ে ‘ গুৱাহাটী আৰ্টিষ্ট গীল্ড’ত চিত্ৰকলাৰ প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল ।

**( চ ) 'আপাোনাৰ দৰে মাোৰাে দুখন হাত আছিল' কবিতাটি কোনে ৰচনা কৰিছিল ?**

উত্তৰঃ আপাোনাৰ দৰে মাোৰাে দুখন হাত আছিল' কবিতাটি জুলীবৰুৱাই ৰচনা কৰিছিল ।

**( ছ ) সংগ্ৰামজ্যোতি কি বিষয়ত পাৰদৰ্শী ?**

উত্তৰঃ সংগ্ৰামজ্যোতি চিত্ৰাংকন বিষয়ত পাৰদৰ্শী ।

**২। উত্তৰ লিখাঃ**

**( ক ) কোনখন বিদ্যালয়ে প্ৰিন্সি গগৈক আঁকোৱালি লৈছিল লৈছিল ।**

উত্তৰঃ ' সাোণাৰি'ৰ ৰজাটপ প্ৰাথমিক বিদ্যালয়ে প্ৰিন্সি গগৈক আঁকোৱালি লৈছিল ।

**( খ ) এজোপা বৰগছ হৈ ছা দিব বিচাৰোঁ ।'— ইয়াত জুলী বৰুৱাই কাক আৰু কিয় ছাঁ দিব বিচাৰিছে ?**

উত্তৰঃ ইয়াত জুলী বৰুৱাই সমাজত অনাদৰ অৱহেলাৰ মাজত জীয়াই থকা দিব্যাংগসকলক ইতিবাচক কিবা এটা দিয়াৰ ছাঁ দিব বিচাৰিছে ? সেই ছাঁ হৈছে তেওঁলাোকৰ বাবে অন্ন , বস্ত্ৰ আৰু আৱাস নিশ্চিত কৰা ।

**প্ৰশ্ন ৩। সংগ্ৰাম জ্যোতিয়ে বৰ্ণময় আৰু প্ৰাণৱন্ত ৰূপত চিত্ৰ অংকন কৰি নিজে কেনেকৈ সফলতা অৰ্জন কৰিলে , সেই বিষয়ে লিখা ।**

উত্তৰঃ সংগ্ৰামজ্যোতিয়ে চিত্ৰাংকন প্ৰতি আগ্ৰহী হৈ গুৱাহাটী আৰ্টিষ্ট গীল্ড'ৰ পৰা পাঁচ বছৰীয়া ডিপ্লমা লাভ কৰাৰ পাছত নিজাৰ্বীয়াকৈ 'চিত্ৰাংকন কলা কেন্দ্ৰ' খুলি তাত ব্যস্ত হৈ পৰে । তেওঁ এখনৰ পাছত আন এখন চিত্ৰবৰ্ণময় আৰু প্ৰাণৱন্তৰূপত অংকন কৰি নিজৰ বিৰল প্ৰতিভাৰ পৰিচয় দিয়ে । তেওঁ সৰ্বভাৰতীয় পৰ্যায়ত অনেক বঁটা পাবলৈ সক্ষম হৈছে । আনকি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তাে , বিশেষকৈ জাপান , ফ্ৰান্স আদি দেশতাে তেওঁ সমাদৰ পাবলৈ সক্ষম হৈছে ।

## 'খ' ভাষা অধ্যয়ন ( ব্যৱহাৰিক ব্যাকৰণ )

**প্ৰশ্ন ৪। বিপৰীতাৰ্থক শব্দ লিখা ।**

**এন্ধাৰ , সফল , স্বাভাৱিক , জাগ্ৰত , অমংগল , সক্ষম , আনুষ্ঠানিক ।**

উত্তৰঃ

| | |
|---|---|
| এন্ধাৰ | পাোহৰ |
| সফল | বিফল |
| স্বাভাৱিক | অস্বাভাৱিক |
| জাগ্ৰত | সুপ্ত |
| অমংগল | মংগল |
| আনুষ্ঠানিক | অনানুষ্ঠানিক |

**প্ৰশ্ন ৫। যুৰীয়া শব্দবাোৰ পাঠৰ পৰা বিচাৰি লিখাঃ**

উত্তৰঃ মুখামুখি , বাধা-বিবাদ , বাধা-বিঘিনি , বিষাদ-বেদনা , ধোঁৱা-কোৱা , লেখা-মেলা , কলা- কীৰ্তি , গতি-পথ ।

**প্ৰশ্ন ৬। বাক্য ৰচনা কৰা :**

**আনুষ্ঠানিক , গতিপথ , প্ৰচেষ্টা , যন্ত্ৰণা , কৰ্তব্য , প্ৰশংসা ।**

উত্তৰঃ

**আনুষ্ঠানিক :-** স্কুলীয়া শিক্ষাক আনুষ্ঠানিক শিক্ষা বাোলে ।

**গতিপথ :-** দুৰ্ভাগ্যবশতঃ জুলী বৰুৱাই হাত দুখন হেৰুওৱাবলগীয়া হাোৱাত তেওঁৰ জীৱনৰ গতিপথেই সলনি হৈ গ'ল ।

**প্ৰচেষ্টা :-** কৰ্মত একান্ত প্ৰচেষ্টা থাকিলে সফলকাম হ'ব পাৰি ।

**যন্ত্ৰণা :-** দিব্যাংগসকলৰ জীৱন নিৰ্বাহৰ যন্ত্ৰণা সকলাোৱে অনুভৱ কৰা উচিত ।

**কৰ্তব্য :-** নিজ কৰ্তব্যৰ প্ৰতি কেতিয়াও অৱহেলা কৰিব নালাগে ।

**প্ৰশংসা :-** ভাল কামত সমাজৰ পৰা প্ৰশংসা পায় ।

## ‘ গ ’ জ্ঞান সম্প্ৰসাৰণ

### প্ৰশ্ন ৭। আত্মবিশ্বাসে যে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে , সেই কথা পাঠৰ সহায়ত বুজাই লিখা ।

উত্তৰঃ আত্মবিশ্বাস থাকিলে মানুহে হাজাৰ বিপদ আহিলেও , হাজাৰ সমস্যাই আগুৰি ধৰিলেও তাক সহজে অতিক্ৰম কৰি জীয়াই থকাৰ প্ৰেৰণা পাব পাৰে । পাঠত তিনিগৰাকী দিব্যাংগৰ উদাহৰণে এই কথা প্ৰতিপন্ন কৰিছে ।

প্ৰিন্সি গগৈৰ জন্মৰে পৰাই দুয়োখন হাতেই নাছিল । ইয়াকে দেখি বহুতেই তেওঁক অমংগলীয়া বুলি গণ্য কৰিছিল । ইমানবোৰৰ মাজতো গগৈয়ে জীয়াই থকাৰ সপোন দেখিছিল । সেইমৰ্মে একমাত্ৰ আত্মবিশ্বাসৰ বলতেই ভৰিৰে লিখিবলৈ লৈ তেওঁ উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছে ।

সেইদৰে জুলীৰুৱাই পঢ়ি থকা অৱস্থাতে দুৰ্ঘটনাত দুয়োখন হাত হেৰুৱাই প্ৰথমতে হতাশাত ভাগি পৰিছিল যদিও একমাত্ৰ আত্মবিশ্বাসত দৃঢ় থাকি কৃত্ৰিম হাতেৰে পঢ়া শুনা কৰি বৰ্তমান অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত সহকাৰী গৱেষণ বিষয়া হিচাপে কাম কৰি আছে ।

সংগ্ৰামজ্যোতি চৌধুৰী এজন মূকবধিৰ ব্যক্তি । ইয়াৰ বাবে তেওঁ হতাশ নহৈ চিত্ৰাংকন বিদ্যাত একাণপতীয়াকৈ লাগি অসমতে নহয় ভাৰত তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে । এয়া সম্ভৱ হৈছে একমাত্ৰ নিজৰ ওপৰত থকা আত্মবিশ্বাস , আত্ম প্ৰত্যয় । বিশ্বত এনে উদাহৰণ অনেক আছে ।

দিব্যাংগসকল সৰ্বাংগীন উন্নতিৰ বাবে অসম সৰ্বশিক্ষা অভিযান মিছনে লোৱা কেইটামান পদক্ষেপৰ বিষয়ে উল্লেখ কৰা হ’ল—

( ১ ) দিব্যাংগ বা বিশেষভাৱে সক্ষম শিশু চিনাক্তকৰণ ।

( ২ ) বিদ্যালয়ত নামভৰ্তিকৰণ ।

( ৩ ) সমল শিক্ষক নিয়ােগ ।

( ৪ ) বিশেষভাৱে সক্ষম ছাত্ৰীক বৃত্তি প্ৰদান ।

( ৫ ) দৃষ্টি বাধাগ্ৰস্তসকলৰ বাবে ব্ৰেইল পাঠ্যপুথি , ব্ৰেইল শিক্ষণ – শিকন সামগ্ৰী যাােগান । আৰু

( ৬ ) সহায়ক সা – সঁজুলি , যেনে শ্ৰৱণ যন্ত্ৰ , হুইলচেয়াৰ , তিনিচুকীয়া চাইকেল , ফেন ইত্যাদি বিতৰণ ।

**প্ৰশ্ন ৮। বিশেষভাৱে সক্ষম বা দিব্যাংগসকলৰ প্ৰতি থকা অৱহেলাৰ ভাব আঁতৰ কৰিবলৈ তুমি কি কি কৰিবা ?**

উত্তৰঃ দিব্যাংগ বা বিশেষভাৱে সক্ষমসকল সমাজৰে অংগ আৰু সমাজত জীয়াই থকাৰ তেওঁলােকৰাে অধিকাৰ আছে । তেওঁলােক সাধাৰণ মানুহৰ দৰে সক্ষম নহ’লেও বিশেষ এক ধৰণে সক্ষম আৰু আত্মবিশ্বাসেৰে কৰ্ম কৰি জীয়াই থাকে । সেয়ে এনে লােকক মই যথেষ্ট আদৰ আৰু সন্মান কৰো । তেওঁলােকক মই ভাই – ভনীৰ দৰে মৰম – চেনেহ কৰিম আৰু প্ৰয়ােজনত যেনেভাবে পাৰোঁ তেনেভাৱে সহায় কৰিম । মই তেওঁলােকক কেতিয়াও অৱহেলা নকৰিম । আনকো অৱহেলা নকৰিবলৈ , মৰম চেনেহেৰে আঁকোৱালি ল’বলৈ বুজাম ।

## ঘ – প্ৰকল্প

**[ প্ৰশ্ন ৯ আৰু ১০ ৰ মতে শিক্ষক – শিক্ষয়িত্ৰীৰ সহায় লৈ সাক্ষাৎকাৰৰ আহি প্ৰস্তুত কৰিবা আৰু তথ্য সংগ্ৰহ কৰি শ্ৰেণীকোঠাত পঢ়ি শুনাবা । ]**